**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-10-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। অসমৰ নগাঁও লোকসভা সমষ্টিৰ লগতে পশ্চিমবংগ আৰু পুডুচেৰী বিধানসভাৰ ৫টা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

২। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কৈছে যে সংস্কৃত হৈছে সকলো ভাৰতীয় ভাষাক সংযোগ কৰা এডাল সোণালী সূতা।

৩। ভাৰতৰ সামুদ্ৰিক শক্তি আৰু প্ৰতিৰক্ষা সামৰ্থ বৃদ্ধিৰ বাবে শক্তিশালী আৰু সংহত সামুদ্ৰিক ব্যৱস্থাৰ প্ৰয়োজন বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। *আৰু*

৪। ভাৰতৰ মহিলা ক্ৰিকেট দলৰ অধিনায়ক হৰমনপ্ৰীত কৌৰে ক্ৰিকেটৰ তিনিও প্ৰকাৰ খেলৰ পৰা অব্যাহতি লৈছে।

০০০০০০০

অসমৰ নগাঁও লোকসভা সমষ্টিৰ লগতে পশ্চিমবংগ আৰু পুডুচেৰী বিধানসভাৰ ৫ টা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। নগাওঁ সমষ্টিত দিনৰ এঘাৰ বজালৈকে লাভ কৰা তথ্য অনুসৰি ৩৭ দশমিক ৮-২ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে।

সমষ্টিটোৰ অন্তৰ্গত নগাঁও জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ মুঠ এহেজাৰ ৩৩৯ টা ভোটকেন্দ্ৰত পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ সুকলমে চলি আছে। একেদৰে মৰিগাঁও জিলাৰ ৩ টা ভোটগ্ৰহণ কেন্দ্ৰতো পুৱাৰে পৰা ভোটদান চলি আছে।

বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই পুৱা ৭ বজাতে মৰিগাঁও জিলাৰ মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৬ নম্বৰ ভোটকেন্দ্ৰত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। একেদৰে কংগ্ৰেছ প্ৰাৰ্থী শিৰামণি বৰাই নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ মাজগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ত ভোট দিয়ে।

পশ্চিমবংগৰ ৰেজীনগৰ আৰু নন্দীগ্ৰাম বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ চলি আছে। দিনৰ এঘাৰ বজালৈকে ৰেজিনগৰত ৩৮ দশমিক ৭-১ আৰু নন্দীগ্ৰামত ৪৩ দশমিক ৯-৫ শতাংশ ভোটদান হৈছে। তামিলনাডুৰ দুটা সমষ্টি মাদুৰানটাকামত দিনৰ এঘাৰ বজালৈ ৩৫ দশমিক ৫-৫ আৰু ধাৰাপুৰমত ৩৭ দশমিক ২-৮ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। পুডুচেৰীত থাট্টানচাবেদিত দিনৰ এঘাৰ বজালৈ ৩৯ দশমিক ১-৬ শতাংশ ভোটদান হোৱা বুলি নিৰ্বাচন আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। আটাইকেইটা সমষ্টিতে নিয়াৰিক ভোটদান চলি আছে। অহা ৯ অক্টোবৰত ভোটগণনা অনুষ্ঠিত হ'ব।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কৈছে যে সংস্কৃত হৈছে সকলো ভাৰতীয় ভাষাক সংযোগ কৰা এডাল সোণালী সূতা। নতুন দিল্লীৰ শ্ৰীলাল বাহাদুৰ শাস্ত্ৰী ৰাষ্ট্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ দ্বিতীয় সমাৰ্ত্তনত অংশগ্ৰহণ কৰি আজি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এই মন্তব্য দিয়ে। তেওঁ কয়, যে প্ৰতিটো ভাৰতীয় ভাষাই মহান আৰু প্ৰতিটো ভাষাই দেশৰ বৰ্ণাঢ্য সংস্কৃতিলৈ অৱদান যোগাই আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্যান্য ভাষাৰ লগতে সংস্কৃতি ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবেও উদ্যোগ লৈ আহিছে বুলি শ্ৰীৰাধাকৃষ্ণণে

প্ৰকাশ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ত ভাৰতীয় জ্ঞান পদ্ধতিত বিশেষ গুৰুত্ব দি এই দৃষ্টিভংগী শক্তিশালী কৰি তোলাৰ ব্যৱস্থা লোৱা হৈছে। তেওঁ কয়, যে এই কথাই শৈক্ষিক কাৰ্যসূচীত ভাৰতীয় জ্ঞান পদ্ধতিক অন্তৰ্ভুক্ত কৰাত বিশ্ববিদ্যালয় আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহক উৎসাহিত কৰিব। বিশ্বৰ বিজ্ঞান, সাহিত্য আৰু দৰ্শন ক্ষেত্ৰত সংস্কৃতৰ মহত্বপূৰ্ণ স্থান আছে বুলি উল্লেখ কৰি শ্ৰীৰাধাকৃষ্ণণে কয়, যে আনকি এতিয়াও সংস্কৃতৰ বিৰল পাণ্ডুলিপিসমূহ কেৱল ভাৰততে নহয় বৰং নেপাল, তিববত আৰু চীনকে ধৰি বিভিন্ন দেশত বিচাৰি পোৱা যায়। কেন্দ্ৰীয় চৰকাৰে মুকলি কৰা জ্ঞান ভাৰতম অভিযানক অন্যতম তাৎপৰ্যপূৰ্ণ উদ্যোগ বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে বৰ্ণনা কৰে।

নিজৰ ভাষণত কেন্দ্ৰীয় শিক্ষা ৰাজ্যমন্ত্ৰী ড০ সুকান্ত মজুমদাৰে কয়, যে নিজৰ বৰ্ণাঢ্য পৰম্পৰাৰ সৈতে আধুনিক প্ৰযুক্তিৰ সমন্বয় ঘটাই ভাৰত বৰ্তমান খৰতকীয়াকৈ আগবাঢ়ি গৈছে। তেওঁ কয়, যে ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে ভাৰতীয় ভাষা আৰু পৰম্পৰাক শিক্ষাৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিছে যাতে শিক্ষাৰ্থীসকল তেওঁলোকৰ শিপাৰ সৈতে সংযুক্ত হৈ থাকিব পাৰে।

০০০০০০০

ভাৰতৰ সামুদ্ৰিক শক্তি আৰু প্ৰতিৰক্ষা সামৰ্থ বৃদ্ধিৰ বাবে শক্তিশালী আৰু সংহত সামুদ্ৰিক ব্যৱস্থাৰ প্ৰয়োজন বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। শ্ৰীসিঙে আজি বিশাখাপট্টনমত হিন্দুস্তান শ্বিপয়াৰ্দ লিমিটেডক নৌবহৰ সহায়ক জাহাজ-১ মুকলি কৰাৰ লগতে নৌবহৰ সহায়ক জাহাজ-৫ ৰ নিৰ্মাণৰ শুভাৰম্ভ কৰে। তেওঁ লগতে আধুনিকীকৃত শ্লিপ ৱেভ ফোৰ্ড আৰু ৩০০ টন ওজনৰ গোলিয়াথ ক্ৰেনৰ উদ্বোধনী কাৰ্যসূচীত অংশ লয়। অনুষ্ঠানত দিয়া ভাষণত শ্ৰীসিঙে এই জাহাজ উদ্বোধন আৰু নিৰ্মাণৰ শুভাৰম্ভ কৰা কাৰ্য ভাৰতৰ সামুদ্ৰিক আন্তঃগাথনি আৰু সামৰ্থ শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰে। তেওঁ কয় যে সূৰ্য নামেৰে নামকৰণ কৰা নৌবহৰ সহায়ক জাহাজ- ১ য়ে ভাৰতীয় নৌসেনাৰ সামৰ্থ, শক্তি আৰু অভিযানৰ দক্ষতা বৃদ্ধি কৰিব। তেওঁ কয় যে ভাৰতীয় নৌসেনাই ভাৰত মহাসাগৰীয় অঞ্চলত  নিজৰ নিৰাপত্তাৰ ক্ষেত্ৰত সামৰ্থ বাৰে বাৰে প্ৰদৰ্শন কৰি আহিছে। মানৱীয় সাহায্য, দুৰ্যোগৰ ক্ষেত্ৰত সাহায্য, জলদস্যু বিৰোধী অভিযানকে ধৰি বিভিন্ন ক্ষেত্ৰত নৌসেনাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীসিঙে কয় যে হিন্দুস্তান শ্বিপয়াৰ্দ লিমিটেডে আঠ দশকৰো অধিক সময়জুৰি ভাৰতৰ সামুদ্ৰিক সামৰ্থ বৃদ্ধি আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত প্ৰয়োজন পূৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। তেওঁ কয় যে জাহাজ নিৰ্মাণৰ ক্ষেত্ৰত ভাৰতৰ অপৰিসীম সম্ভাৱনা আছে। এই সম্ভাৱনাক সামৰ্থ আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত প্ৰতিযোগিতামূলক ক্ষমতালৈ ৰূপান্তৰ কৰাটো সময়ৰ প্ৰত্যাহ্বান বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

বেনিন মহানগৰৰ পৰা লাগোচলৈ যাত্ৰা কৰা নাইজেৰিয়াৰ এখন সামৰিক বিমান দুৰ্ঘটনাগ্ৰস্ত হোৱাত ৩২ গৰাকী লোকৰ মৃত্যু হয়। ইয়াৰে ২৫ গৰাকী যাত্ৰী আৰু ৭ গৰাকী বিমানৰ কৰ্মী আছিল।  ৰাষ্ট্ৰপতি বলা টিনুবুয়ে এইকথা নিশ্চিত কৰিছে আৰু তেওঁ নাইজেৰিয়ান বিমান বাহিনীক এই দুৰ্ঘটনাৰ কাৰণ অনুসন্ধান কৰিবলৈ নিৰ্দেশ দিছে। বিমান পৰিবহন মন্ত্ৰী ফেষ্টছ কেয়ামোৰ মতে দুৰ্ঘটনাৰ সময়ত এই বিমানখনে নিয়মীয়া অভিযানত যোৱাৰ সময়তে নিয়ন্ত্ৰণ হেৰুৱাই এই দুৰ্ঘটনা সংঘটিত হয়। পাছত বিমানখন নাইজেৰিয়াৰ দক্ষিণ-পশ্চিম অঞ্চলৰ উপকূলীয় চহৰ ইগবোক'ৰাত পতিত হয়।

০০০০০০০

এছ্ আই আৰ প্ৰক্ৰিয়াৰ অনিয়ম আৰু মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰক অপসাৰণৰ দাবীত আজি বিৰোধী দলসমূহে সংসদ ভৱনৰ পৰা নিৰ্বাচন আয়োগৰ মুখ্য কাৰ্যালয় নিৰ্বাচন সদনলৈ প্ৰতিবাদী সমদল উলিয়ায়। অৱশ্যে নিৰ্বাচন আয়োগৰ কাৰ্যালয় অভিমুখী প্ৰতিবাদকাৰীসকলক আকাশবাণী ভৱনৰ সমীপত নিৰাপত্তা বাহিনীয়ে বাধা আৰোপ কৰে। কংগ্ৰেছৰ সভাপতি তথা ৰাজ্যসভাৰ বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীকে ধৰি অন্যান্য বিৰোধী দলৰ সাংসদসকলে পাৰ্লিয়ামেণ্ট ষ্ট্ৰিটত পথৰ ওপৰতে বহি পৰি বিক্ষোভ প্ৰদৰ্শন কৰে।

০০০০০০০

বিৰোধী দল বিশেষকৈ কংগ্ৰেছে দেশত অৰাজকতাৰ পৰিস্থিতি সৃষ্টিৰ পৃষ্ঠপোষকতা কৰি আহিছে বুলি বিজেপিয়ে অভিযোগ উত্থাপন কৰিছে। নতুন দিল্লীত সাংবাদিকৰ আগত দলৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ সম্বিত পাত্ৰই কয়, যে বিৰোধী দলসমূহে দেশৰ সাংবিধানিক সংস্থাসমূহৰ বিৰুদ্ধে অপ্ৰীতিকৰ মন্তব্য আগবঢ়োৱাৰ ক্ষেত্ৰত পৃষ্ঠপোষকতা কৰি আহিছে। সময়ে সময়ে বিৰোধী দলসমূহে সেনা বাহিনী, উচ্চতম ন্যায়ালয়, হিন্দুস্তান এৰোনেটিক্স লিমিটেড আৰু ই ভি এমক লক্ষ্য কৰি লৈছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীপাত্ৰই কয় যে বিগত কিছুদিন ধৰি বিৰোধীয়ে নিৰ্বাচন আয়োগক লক্ষ্য কৰি লৈ অৰাজকতাৰ পৰিবেশ সৃষ্টিত উদগণি যোগাইছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি ৫ দিনীয়া ভ্ৰমণসূচীৰে ঘানা, কোটে দি আইভৰ আৰু ইথিঅ'পিয়ালৈ  ৰাওনা হ'ব। এই ভ্ৰমণকালত ড০ জয়শংকৰে তিনিওখন দেশৰ বৈদেশিক মন্ত্ৰীসকলৰ সৈতে বৈঠক অনুষ্ঠিত কৰাৰ লগতে নেতাসকলৰ সৈতে বন্ধুত্বপূৰ্ণ আৰু সহযোগিতামূলক দ্বিপাক্ষিক সম্পৰ্কৰ সন্দৰ্ভত পৰ্যালোচনা কৰিব। এই আলোচনাত বাণিজ্য আৰু অৰ্থনীতি, উন্নয়নমূলক সহযোগিতা, সামৰ্থ নিৰ্মাণ আৰু জনসাধাৰণৰ সম্পৰ্কো সামৰি লোৱা হ'ব। মন্ত্ৰী ড০ জয়শংকৰে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ সন্দৰ্ভতো মত বিনিময় কৰিব। আদ্দিছ আবাবাত বৈদেশিক মন্ত্ৰী ড০ জয়শংকৰে মিছনৰ আঞ্চলিক  মুৰব্বীসকলৰ সন্মিলনত অধ্যক্ষতা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কৈছে যে মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ এই ভ্ৰমণে আফ্ৰিকা আৰু গোলকীয় দক্ষিণৰ প্ৰতি ভাৰতৰ দায়বদ্ধতাক প্ৰতিফলিত কৰিছে।

০০০০০০০

ভাৰতৰ মহিলা ক্ৰিকেট দলৰ অধিনায়ক হৰমনপ্ৰীত কৌৰে ক্ৰিকেটৰ তিনিও প্ৰকাৰ খেলৰ পৰা অব্যাহতি লৈছে। গুৱাহাটীত অনুষ্ঠিত বি চি চি আইৰ পৰ্যৱেক্ষণ বৈঠকত পাছতে ৩৭ বছৰীয়া খেলুৱৈগৰাকীয়ে এই ঘোষণা কৰে। হৰমনপ্ৰীত কৌৰে যোৱা বছৰ প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এদিনীয়া মহিলা বিশ্বকাপ প্ৰতিযোগিতাৰ খিতাপ লাভ কৰা ভাৰতীয় দলটোক নেতৃত্ব দিছিল। শ্ৰীমতী কৌৰে ভাৰতক পাঁচখন টেষ্ট, ৫১ খন আন্তৰ্জাতিক এদিনীয়া আৰু ১৫৫ খন আন্তৰ্জাতিক টি-২০ খেলত নেতৃত্ব দিছিল। তেওঁ ২০১৬ চনৰ পৰা টি-২০ দলক নেতৃত্ব দিয়াৰ পাছত ২০২২ চনত এদিনীয়া দলৰ অধিনায়ক হিচাপে দায়িত্ব গ্ৰহণ কৰিছিল।

০০০০০০০

সমাপ্ত